**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ চাৰিদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্স আৰু আমেৰিকালৈ ৰাওনা হ'ব।
২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কাইলৈ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত অংশ লৈ ত্ৰিবেণী সংগমত স্নান কৰিব।
৩। চত্তিশগড়ত নিৰাপত্তাৰক্ষীৰে হোৱা এটা সংঘৰ্ষত ৩১ জন মাওবাদীৰ মৃত্যু হৈছে।
৪। নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অনুষ্ঠিত হ'ব। ***আৰু***
৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি ইংলেণ্ডে ভাৰতক জয়ৰ বাবে ৩০৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ চাৰিদিনীয়া ভ্ৰমণসূচীৰে ফ্ৰান্স আৰু আমেৰিকালৈ ৰাওনা হ'ব। এই ভ্ৰমণসূচীৰ মূল লক্ষ্য হৈছে দুয়োখন দেশৰ সৈতে কৌশলগত, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত অংশীদাৰিত্ব শক্তিশালী কৰা। কাইলৈ তেওঁ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ফ্ৰান্সলৈ যাব। পেৰিচত হ'বলগীয়া ২০২৫ বৰ্ষৰ কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে আন এখন গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। তদুপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে মাৰ্চেইলত ভাৰতৰ নতুন বাণিজ্যিক দূতাবাস মুকলি কৰিব। আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত ফ্ৰান্সত থকা ভাৰতৰ ৰাষ্ট্ৰদূত সঞ্জীৱ কুমাৰ ছিংলাই কয়, যে সমগ্ৰ বিশ্বতে কৃত্ৰিম বুদ্ধিমত্তাক যাতে কেইগৰাকীমান ব্যক্তি অথবা কেইটামান প্ৰতিষ্ঠানে একচেতিয়া সম্পত্তি হিচাপে যাতে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখাই হৈছে ভাৰতৰ মূল লক্ষ্য। উন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত যাতে অত্যাধুনিক তথ্যপ্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত ভিন্নতা নাহে তাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা সুৰক্ষিত আৰু বিশ্বাসযোগ্য হৈ থাকিব লাগিব বুলিও ছিংলাই উল্লেখ কৰে। সাক্ষাৎকাৰটোত ৰাষ্ট্ৰদূতগৰাকীয়ে উল্লেখ কৰা মতে ১২ ফেব্ৰুৱাৰীত মাৰ্চেইলত বাণিজ্যিক দূতাবাস উদ্বোধন কৰাটো এক উল্লেখনীয় দিন হিচাপে পৰিগণিত হৈ ৰ'ব। ইয়াৰ জৰিয়তে ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপৰ অৰ্থনৈতিক দ্বাৰৰ এক শক্তিশালী ভেটি গঢ়ি উঠিব। উল্লেখযোগ্য যে ১২ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীগৰাকীয়ে তিনিদিনীয়া ফ্ৰান্সৰ ভ্ৰমণসূচী সামৰি আমেৰিকালৈ ৰাওনা হ'ব।

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কাইলৈ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত অংশ লৈ গংগা-যমুনা আৰু সৰস্বতী নদীৰ সংগমস্থলী ত্ৰিবেণী সংগমত স্নান কৰিব। ইয়াৰ উপৰি তেওঁ প্ৰয়াগৰাজৰ অক্ষয়ত মন্দিৰ আৰু বড়ে হনুমান মন্দিৰ পৰিদৰ্শন কৰিব। ডিজিটেল মহাকুম্ভ কেন্দ্ৰৰ পৰা ৰাষ্ট্ৰপতিগৰাকীয়ে সমগ্ৰ মহাকুম্ভৰ দৃশ্যও পৰিদৰ্শন কৰিব। এই অনুষ্ঠানত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও অংশগ্ৰহণ কৰিব।

০০০০০

চত্তিশগড়ত নিৰাপত্তাৰক্ষীৰে হোৱা এটা সংঘৰ্ষত ৩১ জন মাওবাদীৰ মৃত্যু হৈছে। এই সংঘৰ্ষত দুজন নিৰাপত্তাৰক্ষী নিহত হোৱাৰ লগতে আন দুজন আহত হৈছে। চত্তিশগড় আৰক্ষীয়ে জনোৱা মতে সংঘৰ্ষত মৃত্যু হোৱা সকলো মাওবাদীৰ মৃতদেহ ইতিমধ্যে ঘন জংগলৰ উদ্ধাৰ কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে, বীজাপুৰ জিলাৰ এখন ৰাষ্ট্ৰীয় উদ্যানত মাওবাদীৰ এটা দলে বাহৰ পতাৰ তথ্য নিৰাপত্তাৰক্ষীয়ে লাভ কৰিছিল। এই তথ্যৰ ভিত্তিতেই নিৰাপত্তাৰক্ষীৰ এটা যুটীয়া দলে অঞ্চলটোত তালাচী অভিযান আৰম্ভ কৰিছিল। এই অভিযানৰ সময়তে নিৰাপত্তাৰক্ষীলৈ লক্ষ্য কৰি মাওবাদীৰ সদস্যই গুলীচালনা কৰে। ইয়াৰ প্ৰত্যুত্তৰত নিৰাপত্তাৰক্ষীৰ জোৱানসকলেও গুলীচালনা কৰে। ঘটনাস্থলীৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ নিৰাপত্তাৰক্ষীয়ে জব্দ কৰা বুলিও চত্তিশগড় আৰক্ষীয়ে সদৰি কৰিছে।

ইফালে গৃহমন্ত্ৰী অমিত শ্বাহে মাওবাদীৰে হোৱা সংঘৰ্ষত মৃত্যু হোৱা দুই ছহিদ জোৱানৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয়, যে দেশৰ বাবে প্ৰাণ ত্যাগ কৰা এই ছহিদসকলৰ ওচৰত দেশ সদায় ঋণী হৈ থাকিব। নিৰাপত্তাৰক্ষীৰ এই অভিযানক দেশৰ বাবে বৃহৎ সফলতা বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে যে অহা বছৰৰ ৩১ মাৰ্চৰ ভিতৰত দেশৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে বিজেপি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ আম আদমী পাৰ্টীৰ চৰকাৰৰ সময়ত সংঘটিত বিত্তীয় অনিয়মৰ সন্দৰ্ভত কেগে প্ৰস্তুত কৰা প্ৰতিবেদন প্ৰথমখন বিধানসভা অধিৰেশনত দাখিল কৰা হ'ব বুলি দিল্লীবাসীক নিশ্চিতি দিছে। কালি বিজেপিয়ে নতুন দিল্লীত ৪৮ খন আসনত জয়লাভ কৰাৰ পিছতে দলৰ মুখ্য কাৰ্যালয়ত দলীয় সমৰ্থকক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰী গৰাকীয়ে এই প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে কেগৰ প্ৰতিবেদনত দিল্লী চৰকাৰৰ আবকাৰী নীতিৰ বিসংগতিৰ বাবে ২ হাজাৰ ২৬ কোটি টকাৰ ৰাজহ লোকচান হোৱা বুলি প্ৰকাশ পাইছে। কেগৰ প্ৰতিবেদনত উল্লেখকৰা মতে দিল্লী চৰকাৰে আঁচনিখনৰ মূল লক্ষ্যৰ পৰা আঁতৰি গৈছিল। তদুপৰি, সুৰাৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে স্বচ্ছতাৰে কাম কৰা নাছিল। অনুজ্ঞাপত্ৰ প্ৰদানৰ ক্ষেত্ৰতো বিভিন্ন অনিয়ম সংঘটিত হোৱাৰ তথ্য কেগৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে।**

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অনুষ্ঠিত হ'ব। নতুন ৰূপত হ'বলগীয়া এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন বৃত্তিৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলে শিক্ষাৰ্থীসকলৰ সৈতে অভিজ্ঞতা বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। চলিত বৰ্ষত এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় ৩ কোটি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে নাম পঞ্জীয়ন কৰিছে। ইয়াৰ ভিতৰত ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী

মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব পাৰিব। এই অনুষ্ঠানত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে সন্মুখীন হোৱা মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত আলোকপাত কৰা হ'ব।

00000

দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে আজি পুৱাৰ ভাগত উপৰাজ্যপাল ভি কে চাক্সেনাক সাক্ষাৎ কৰি পদত্যাগপত্ৰ দাখিল কৰে। যোৱা বছৰ চেপ্তেম্বৰত আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে মুখ্যমন্ত্ৰী হিচাপে পদত্যাগ কৰাৰ পাছত আতিশী মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈছিল। উল্লেখযোগ্য যে, কালি ঘোষিত দিল্লী বিধানসভা নিৰ্বাচনত আম আদমী পাৰ্টীয়ে ২২খন আসনতহে বিজয় সাব্যস্ত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত দিল্লীৰ উপৰাজ্যপাল ভি কে চাক্সেনাই কালিৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰীয় ৰাজধানীখনৰ বিধানসভা ভংগ কৰে।

উল্লেখযোগ্য যে, কালি ঘোষিত বিধানসভা নিৰ্বাচনৰ ফলাফলত বিজেপিয়ে ৭০ জনীয়া দিল্লী বিধানসভাৰ ৪৮ খন আসনত জয়লাভ কৰে। এই বৃহৎ জয়েৰে ৰাষ্ট্ৰীয় ৰাজধানীখনত ২৬ বছৰ পাছত বিজেপি পুনৰ ক্ষমতালৈ আহিছে।

00000

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গোড়খপুৰৰ ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি গোড়খপুৰ জংচনৰ নতুন প্ৰকল্পটো পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীক ৰে'ল বিভাগৰ শীৰ্ষ বিষয়াসকলে প্ৰস্তাৱিত ম'ডেল ষ্টেচনটোৰ সবিশেষ অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পাছত জনসাধাৰণে ষ্টেচনটোৰ জৰিয়তে কেনেধৰণেৰে উপকৃত হ'ব সেই লৈয়ো মন্তব্য কৰে। প্ৰকল্পটো পৰ্যবেক্ষণ কৰাৰ অন্তত তেওঁ কয়, যে যথেষ্ট ক্ষিপ্ৰতাৰে ষ্টেচনটোৰ কাম-কাজ আগবাঢ়িছে আৰু সময়মতে প্ৰকল্প সম্পূৰ্ণ হ'ব। গোড়খপুৰৰ সংস্কৃতি আৰু ঐতিহ্য স্মৃতি ধৰি ৰাখিব পৰাকৈ ষ্টেচনটোৰ নক্সা প্ৰস্তুত কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে জনোৱা বিমানবন্দৰৰ নতুন টাৰ্মিনেলৰ সমীপত এটা ৰে'ল ষ্টেচন নিৰ্মাণৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ ৰে'লৰে বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে।

00000

ইজৰাইলে মধ্য গাজাৰ নেটজাৰিম কৰিড'ৰৰ পৰা নিজৰ সেনা ঘূৰাই আনিছে। এই কথা হামাছে নিশ্চিত কৰিছে। ইজৰাইল আৰু হামাছৰ মাজৰ যুদ্ধ বিৰতি চুক্তিৰ অংশস্বৰূপে দেশখনে সেনা ঘূৰাই আনিছে। ইয়াৰ পাছতে পেলেষ্টাইনী আৰক্ষীয়ে অঞ্চলটোৰ মাজেৰে পেলেষ্টাইনৰ লোসকলৰ অহা-যোৱাৰ ব্যৱস্থা সুৰক্ষিত কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য ৪ মাইল দীঘলীয়া নেটজাৰিম কৰিড'ৰটো ইজৰাইলী সেনাই যুদ্ধ আৰম্ভ হোৱাৰ এমাহ পূৰ্বৰ পৰাই দখল কৰি ৰাখিছিল। ইয়াৰ ফলত উত্তৰ গাজা আৰু দক্ষিণ গাজাৰ মাজৰ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছিল। এতিয়া এই যুদ্ধ বিৰতিৰ পাছত দক্ষিণ গাজাত আশ্ৰয় লৈ থকা বহু পেলেষ্টাইনীলোকে নিজৰ গৃহলৈ বুলি উভতনি যাত্ৰা আৰম্ভ কৰিছে।

00000

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি ইংলেণ্ডে ভাৰতক জয়ৰ বাবে ৩০৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দলটোৱে ৪৯ অভাৰ ৫টা বলত আটাইকেইটা হেৰুৱাই ৩০৪ ৰাণ সংগ্ৰহ কৰে। কটকৰ বাৰাৱতী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে ইংলেণ্ডে বেটিং কৰাৰ সিদ্ধান্ত লয়। ইংলেণ্ডৰ হৈ জ' ৰুটে ৭২টা বলত সৰ্বাধিক ৬৯ ৰাণ কৰে। বেন

ডাকেটে ৬৫ ৰাণ, লিয়াম লিভিংষ্টনে ৪১ ৰাণ, জছ বাটলাৰে ৩৪ ৰাণ, হেৰী ব্ৰুকে ৩১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাডেজাই ৩৫ ৰাণৰ বিনিময়ত সৰ্বাধিক ৩টা উইকেট দখল কৰে। আনহাতে মহম্মদ শ্বামী, হাৰ্ডিক পাণ্ডিয়া, বৰুণ চক্ৰৱৰ্তী, হৰ্ষিত ৰাণাই এটাকৈ উইকেট দখল কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে নিজৰ বেটিং আৰম্ভ কৰি ১৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৯৬ ৰাণ কৰি খেলি আছে। উল্লেখযোগ্য যে, নাগপুৰত অনুষ্ঠিত প্ৰথমখন এদিনীয়াত ভাৰতে ৪টা উইকেটত জয়লাভ কৰিছিল।

ooooo

জাৰ্মানীৰ ৰেইছেইনহাউচত চলি থকা গ্ৰেণ্ডশ্লেম ডবা প্ৰতিযোগিতাৰ ফ্ৰি-ষ্টাইল শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলখন আৰম্ভ হৈছে। এই গুৰুত্বপূৰ্ণ খেলখনত ভাৰতৰ বৰ্তমানৰ বিশ্ব ডবা চেম্পিয়ন ডি গোকেশ, ইটালী-আমেৰিকান গ্ৰেণ্ড মাষ্টাৰ ফেবিয়ানো কাৰোয়ানোৰ মুখামুখি হৈছে। উল্লেখযোগ্য যে দুয়োগৰাকী খেলুৱৈৰ মাজত শনিবাৰে অনুষ্ঠিত হোৱা আন এখন খেল অমীমাংসিত হৈ ৰৈছিল।

ooooo

সমাপ্ত